بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

**ওৱাকফে জাদিদৰ ৬৬ তম বছৰত জামাতৰ সদস্য বৃন্দই আগবঢ়োৱা চান্দা (মালী কোৰবাণী) সম্পৰ্কে বৰ্ণনা আৰু ৬৭ তম বছৰৰ আৰম্ভণী হোৱাৰ ঘোষণা, লগতে পেলেষ্টাইনৰ নিপীড়িত জনতাৰ হকে দোৱাৰ তেহেৰিক**

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ৫ জানুৱাৰী ২০২৪ চনত মছজিদ মোবাৰক ইছলামাবাদ টিলফোৰ্ড (বৃটেইনত) প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ।**

أَشۡهَدُ أَنۡ لَا إِلٰهَ إِلَّا اللّٰهُ وَحۡدَهٗ لَا شَرِيۡكَ لَهٗ وَأَشۡهَدُ أَنَّ مُحَمَّدًا عَبۡدُهٗ وَرَسُوۡلُهٗ أَمَّا بَعۡدُ فَأَعُوۡذُ بِاللّٰهِ مِنَ الشَّيۡطٰنِ الرَّجِيۡمِ۔ بِسۡمِ اللّٰهِ الرَّحۡمٰنِ الرَّحِيۡمِ۔ اَلۡحَمۡدُ لِلّٰهِ رَبِّ الۡعٰلَمِيۡنَ۔ الرَّحۡمٰنِ الرَّحِيۡمِ۔ مٰلِكِ يَوۡمِ الدِّيۡنِ۔ اِيَّاكَ نَعۡبُدُ وَاِيَّاكَ نَسۡتَعِيۡنُ۔ اِهۡدِنَا الصِّرَاطَ الۡمُسۡتَقِيۡمَ۔ صِرَاطَ الَّذِيۡنَ اَنۡعَمۡتَ عَلَيۡهِمۡ ۙ غَيۡرِ الۡمَغۡضُوۡبِ عَلَيۡهِمۡ وَلَا الضَّآلِّيۡنَ۔

তাছাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে ছুৰা ছাফৰ ১১ ৰ পৰা ১৩ নম্বৰ আয়াত লৈকে পাঠ কৰি শুনায়। যাৰ অনুবাদ এনেদৰে হে লোক সকল ! তোমালোকে যি বিশ্বাস কৰা,মই তোমালোকক এনে এটা ব্যৱসায় শিকাম যে যিটোৱে তোমালোকক এটা কষ্টকৰ শাস্তিৰ পৰা মুক্ত কৰিব যে তোমালোকে আল্লাহ আৰু তাৰ পয়গম্বৰৰ ওপৰত বিশ্বাস স্থাপন কৰা আৰু আল্লাহৰ বাটত ,তাৰ উদ্দেশ্য সফলাৰ্থে নিজৰ ধন,মাল আৰু প্ৰাণৰ সৈতে পৰিশ্ৰম কৰাহঁক। সেয়া তোমালোকৰ নিমিত্তে অতি উত্তম,যদিহে তোমালোকে জালিনাহেঁতেন।

সেইজনাই তোমালোকৰ পাপ ক্ষমা কৰিব আৰু বহু নিজৰা প্ৰবাহিত হোৱা উদ্যান সমূহলৈ আৰু চিৰকলীয়া উদ্যান সমূহৰ পৱিত্ৰ আৰু আনন্দদায়ক বাসস্থানলৈ তোমালোকক প্ৰৱেশ কৰিবলৈ দিব। সেইটোৱেই হৈছে সৰ্বোৎকৃষ্ট বিজয়।

হজৰত মছীহ মাওউদ (আঃ)য়ে এঠাইত কৈছে যে মইয়ো মছীহ মুছাই সদৃশ প্ৰেৰিত হৈছো আৰু যেনেকৈ হজৰত ঈছা (আঃ)য়ে দয়া আৰু ক্ষমাৰ শিক্ষা প্ৰদান কৰিছিল তেনেকৈ মইয়ো দয়া আৰু ক্ষমা আৰু সহায় সহানুভূতিৰ ইছলামী শিক্ষাৰ সৈতে মছীহ মহম্মদী হিচাপে প্ৰেৰিত হৈছো। বৰ্তমান যুগ কোৰাণ কৰিমৰ শিক্ষা প্ৰচাৰৰ যুগ। তৰোৱালৰ যুদ্ধৰ যুগ আৰু এতিয়া নাই। কিন্তু ইছলামী শিক্ষা প্ৰচাৰ কৰিবলৈ কলমৰ জিহাদ আৰু তবলিগী জিহাদ জাৰি আছে আৰু এই জিহাদ জাৰি ৰাখিবলৈ ধনমাল,প্ৰাণ,মান-সন্মান কোৰবাণী কৰাৰ সিমানেই প্ৰয়োজন আছে, যেনেদৰে প্ৰাথমিক অৱস্থাত ইছলাম প্ৰচাৰৰ বাবে

কোৰবাণীৰ প্ৰয়োজন আছিল।

বৰ্তমান যুগত মানৱ সমাজত অৰ্থনৈতিক প্ৰতিপত্তি অৰ্জন কৰিবলৈ জগতত মানুহে যৎপৰানাস্তি চেষ্টা চলাই গৈছে। ধৰ্ম এওঁলোকে পাহৰি পেলাইছে আৰু বাস্তৱতাৰ ফালে ঢাল খাই পৰিছে। ব্যৱসায় বাণিজ্যত প্ৰতিপত্তি আৰু জাগতিক আৰাম আলায়েস লাভ কৰিবলৈ উঠি পৰি লাগিছে। এনে পৰিস্থিতিত ধৰ্ম প্ৰচাৰৰ বাবে কোৰবাণী কৰাটো আল্লাহ তা'লাৰ নৈকট্য লাভৰ উপায় আৰু সফল বাণিজ্য এই কথাবোৰেই আল্লাহ তা'লা উক্ত আয়াত বোৰত উল্লেখ কৰিছে।

গতিকে এই যুগটো হ'ল মছীহ মাওউদ (আঃ)ৰ যুগ, এই যুগত বিশেষকৈ মালি কোৰবাণীৰ জিহাদ অতি গুৰুত্বপুৰ্ণ কাম। আল্লাহ তা'লা কোৰাণ কৰিমত মালী কোৰবাণী সম্পৰ্কে বিভিন্ন ঠাইত মনোযোগ আকৰ্ষণ কৰিছে। কৈছে তোমালোকৰ কি হ'ল যে তোমালোকে আল্লাহৰ বাটত খৰচ নকৰা। এনেদৰে আৰু কৈছে আল্লাহৰ বাটত খৰচ কৰা আৰু নিজ হাতেৰে নিজকে ধ্বংসৰ গ্ৰাসলৈ ঠেলি নিদিবা। আল্লাহ তা'লা কাৰো ওচৰত ঋণী হৈ নাথাকে। সি এনেকুৱা ব্যৱসায়ৰ খবৰ দিছে যে সেয়া জগত আৰু আখেৰাতৰ সফলতাৰ চাবিকাঠি। নেক নিয়তৰ সৈতে তাৰ বাটত খৰচ কৰা ধন আল্লাহ তা'লা কেইবা গুণ বঢ়াই ফিৰাই দিয়ে বুলিহে আল্লাহ তা'লা কোৰাণ কৰিমত উল্লেখ কৰিছে।

আজি আল্লাহ তা'লাৰ কৃপাত একমাত্ৰ আহমদী সকলেই আছে, যিসকলে ধৰ্মৰ উদ্দেশ্যে মালি কোৰবাণীৰ গুৰুত্ব বুজি পায়। জামাতৰ উন্নতিয়ে এই কথাৰ সাক্ষ্য বহন কৰে যে দৰিদ্ৰ লোক সকলৰ সামান্য কোৰবাণীত আল্লাহ তা'লা কিমান সফলতা দান কৰি আছে। এনেকুৱা উদাহৰণ মই বৰ্ণনা কৰি থাকো, আজিও কৰিম। এই উদাহৰণ সমূহ সাৰলম্ভী আহমদী সকলৰ বাবে মনোযোগ দিয়াৰ বিষয় যে তেওঁলোকে চাওঁক যে এই ক্ষেত্ৰত তেওঁলোকৰ মানদণ্ড কোনটো স্কেলত আছে।

আঁহজৰত (ছাঃ)য়ে কৈছে যে অগ্নিৰ পৰা ৰক্ষা পোৱা, তাতে আধা খেজুৰ দিয়েই নহওঁক কিয় ! আৰু কৈছে যে কৃপনতাৰ পৰা দূৰত থাকা, এই কৃপনতাই আগৰ সম্প্ৰদায় বিলাকক বিনষ্ট বিধ্বংস কৰি পেলাইছে। হুজুৰ (ছাঃ)ৰ চাহাবা সকলৰ এনেকুৱা অৱস্থা আছিল যে যেতিয়াই কোনো মালী কোৰবাণীৰ তেহেৰিক হৈছিল, তেওঁলোকে গৈ শ্ৰমিক হিচাপে কাম কৰি উপাৰ্জন খিনি আনি আল্লাহৰ বাটত ঢালি দিছিল। এনেকুৱা মুখলিচ বান্দা আল্লাহ তা'লাই আঁহজৰত (ছাঃ)ৰ সত্য প্ৰাণ দাস হজৰত মছীহ মাওউদ (আঃ)ক প্ৰদান কৰিছে। এনেকুৱা ঘটনাৰে আহমদীয়তৰ ইতিহাসৰ পাত ভৰি পৰি আছে। আল্লাহ তা'লাও তেওঁলোকৰ একাগ্ৰতাৰ ফল নষ্ট হ'বলৈ দিয়া নাই। গতিকে সেই চাহাবা আৰু কোৰবাণী কৰোতা সকলৰ সন্তান-সন্ততি সকলে মনত ৰখা উচিত যে আল্লাহ তা'লা তেওঁলোকক যি সা-সুবিধা প্ৰদান কৰিছে, এয়া সেই বুজুৰ্গ সকলৰ কোৰবাণীৰ ফল হয়। আল্লাহ তা'লাৰ কৃপাত আজি জামাতৰ বেছি ভাগেই কোৰবাণী কৰোতা হৈছে। আফ্ৰিকাতও এনেকুৱা উদাহৰণ আছে,পাকিস্তানত আছে, ভাৰতত আছে, যিবোৰে কোৰবাণীৰ এটা উচ্চ মান প্ৰতিষ্ঠা কৰিছে।

হুজুৰ আনোৱাৰ (আইঃ)য়ে ৰিপাব্লিক অফ চেণ্ট্ৰেল আফ্ৰিকা, কাজাগিস্তান,কিৰগিস্তান, ফিলিপাইন, কেমৰুণ,তানজানিয়া, টুগু,ইণ্ডোনেচীয়া, অষ্ট্ৰেলিয়া আৰু বিশ্বৰ বিভিন্ন দেশৰ মুখলেছিন সকলৰ চান্দা ওয়াকফে জাদিদ সম্পৰ্কে ঈমান বৰ্দ্ধক ঘটনা সমূহ বৰ্ণনা কৰি থাকোতে উল্লেখ কৰে যে ছাবিন্তবাৰী ইণ্ডিয়াৰ এজন আহমদী ছিৰাজ চাহাব। তেখেতে কয় যে মই মালী কোৰবাণীৰ বৰকত নিজ চকুৰে চাইছো। মোৰ ওয়াকফে জাদিদৰ চান্দা বাকী পৰি আছিল। কভিড ১৯ ৰ কাৰণে দিব পৰা নাছিলো। দুই তিনি বছৰ ধৰি

মোৰ বাগানৰ খৰি বিলাক বৰষুণৰ কাৰণে বেয়া হৈ গৈ আছিল। ক্ৰেতা বিচাৰি বিচাৰি নোপোৱা হৈছিলো। কিন্তু যেতিয়া ওয়াকফে জাদিদৰ চান্দাৰ ইন্‌চপেক্টৰ চাহাবে আহি চান্দা বিচাৰে মই কিবা কৰি দুহেজাৰ টকা চান্দা হিচাপে দিওঁ। ইয়াৰ পিছত দুদিনৰ ভিতৰত খৰি বিলাক ল'ম বুলি যিজন গ্ৰাহকে দাম-দৰ ঠিক কৰি যোৱাৰ পিছত বস্তু নিবলৈ অহা নাছিল, তেওঁ হঠাতে আহি ২০ হাজাৰ টকা দি বস্তু লৈ যায়। ইয়াতে মোৰ ঈমান এয়াই যে চান্দাৰ বৰকতত আল্লা তা'লা দুহেজাৰক বিশ হেজাৰ বনাই মোক ঘূৰাই দিলে। নহলে যি বস্তু বছৰে বছৰে পৰি থাকি বেয়া হৈ আছিল সেয়া একেবাৰেই বেয়া হৈ যোৱাৰ কথা আছিল। কিন্তু সেয়া নহ'ল।

হুজুৰ আনোৱাৰ (আইঃ)য়ে বিশ্বৰ বিভিন্ন ঠাইৰ মালি কোৰবাণীৰ ঈমান উদ্দীপক ঘটনা বৰ্ণনা কৰাৰ পিছত কয় যে কেনেকুৱা আচৰিত আৰু সুন্দৰ মুখলেচিন আল্লাহ তা'লা বিশ্বৰ কোণে কোণে হজৰত মছীহ মাওউদ (আঃ)ক প্ৰদান কৰিছে। ইয়াৰ এটা দীঘল তালিকা মোৰ ওচৰত আহি পাইছে। মোৰ বাবে কঠিন হৈ পৰিছে যে কাৰ কথা বৰ্ণনা কৰিম আৰু কাৰ বিষয়ে বৰ্ণনা কৰিবলৈ এৰি দিম। যিসকলৰ বিষয়ে মই বৰ্ণনা কৰিবৰ সময় নহ'ল তেওঁলোকে একাগ্ৰতা আৰু আনুগত্যৰ মাজত বিন্দু মাত্ৰ দুৰ্বলতা নাই। হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে মই এই কাৰণেই থিয় হৈছো যে আপোনালোকে নিজৰ পৱিত্ৰ ধনমালৰ পৰা দ্বীনি সংগ্ৰামৰ বাবে সহায় কৰে আৰু প্ৰত্যেকেই যিমানদুৰ আল্লাই সিহঁতক সক্ষমতা দান কৰিছে, এই বাটত খৰচ কৰিবলৈ কুণ্ঠাবোধ নকৰে আৰু আল্লাহ তা'লা আৰু তাৰ ৰছুল (ছাঃ)তকৈ নিজৰ ধন মালক যেন প্ৰাধান্য নিদিয়ে আৰু মই যিমানদুৰ মোৰ বাবে সম্ভৱ লিখনিৰ জৰিয়তে এই জ্ঞান ভাণ্ডাৰ আৰু বৰকাত এতিয়া ইউৰোপত প্ৰচাৰ কৰিম, যি খোদা তা'লাই পাক ৰূহৰ জৰিয়তে মোক প্ৰদান কৰিছে।

হুজুৰ আনোৱাৰ (আইঃ)য়ে ইয়াৰ পিছত ওয়াকফে জাদিদৰ ৬৬ তম বছৰৰ জমা হোৱা চান্দা আৰু ৬৭ তম বছৰৰ আৰম্ভণী সম্পৰ্কে ঘোষণা কৰোঁতে কয় যে আল্লাহ তা'লা বিগত বছৰত বিশ্বব্যাপি জামাতক ১ কোটি ২৯ লাখ ৪১ হাজাৰ পাউণ্ড ওয়াকফে জাদিদৰ খাতাত মালি কোৰবাণী কৰাৰ তৌফিক দান কৰিছে। এই আদায়কৃত মূলধন যোৱা বছৰতকৈ সাত লাখ ওঠৰ হাজাৰ পাউণ্ড বেছি হৈছে।

এই বছৰত বৃটেইন জামাতে আদায় দিয়া ধনৰ পৰিমাণত প্ৰথম স্থান দখল কৰিছে। ইয়াৰ পিছত আছে কানাডা। এইবাৰ কানাডা ভালেখিনি আগবাঢ়ি গৈছে, ওৱাকফে জাদিদৰ তেহেৰিকত যোগদান কাৰীৰ সংখ্যাও বঢ়াইছে, এয়া তেওঁলোকৰ এটা ডাঙৰ ক্ৰেডিট বুলি ধৰিব পাৰি। ইয়াৰ পিছত তিনি নম্বৰত আছে জাৰ্মান। ইয়াৰ পিছত আছে আমেৰিকা, পাকিস্তান, ভাৰত, অষ্ট্ৰেলিয়া,মিডল ইষ্টৰ এখন জামাত, ইণ্ডোনেচীয়া,মিডল ইষ্টৰ আন এটা জামাত আৰু বেলজিয়াম।

আফ্ৰিকাৰ জামাত বিলাকৰ মাজত প্ৰথম হ'ল মৰিছাছ, তাৰ পিছত আছে ক্ৰমে-ঘানা,বৰকিনাফছো, (বৰকিনা ফাছোৰ পৰিস্থিতি বেয়া হোৱা সত্বেও তৃতীয় নম্বৰ পজিচনত আছে) তানজানিয়া, নাইজেৰিয়া,লাইবেৰিয়া, গেম্বিয়া, মালি, উগাণ্ডা আৰু ছেৰালিউন।

অংশগ্ৰহণকাৰীৰ সংখ্যা মুঠ পোন্ধৰ লাখ পঞ্চাচ হাজাৰ। আল্লাহৰ কৃপাত এই বছৰ ৪৪ হাজাৰ নতুন মুখলেচিন চামিল হৈছে। নতুন চামিল হোৱা সংখ্যাৰ ক্ষেত্ৰত কানাডা প্ৰথম তাৰ পিছত আছে তানজানিয়া,কেমেৰুণ, গাম্বিয়া, নাইজেৰিয়া,গিনিবছাও আৰু কঙ্গোকিমছাছা।

ভাৰতৰ দহখন ৰাজ্য ক্ৰমান্নয়ে আছে প্ৰথম কেৰেলা,ইযাৰ পিছত তামিলনাডু, তাৰ পিছত জম্মু-কাশ্মিৰ,তেলেঙ্গেনা,কৰ্ণাটক, উৰিষ্যা,পাঞ্জাৱ,পশ্চিমবংগ, দিল্লী আৰু মহাৰাষ্ট্ৰ।

এনেদৰে দহখন জামাত হ'ল, প্ৰথম হায়দৰাবাদ, দ্বিতীয় কোয়েম্বটোৰ, তৃতীয় কাদিয়ান, চতুৰ্থ কালিকট, পঞ্চম মনজিৰি, ষষ্ঠম বেংগালুৰু, সপ্তম মালাপালম, অষ্টম কলিকতা, নৱম কেৰুলাই জামাত আৰু দশম স্থানত আছে কেৰেং জামাত।

আল্লাহ তা'লা এওঁলোকৰ ধনমাল,প্ৰাণ আদিত অসীম বৰকত দান কৰক।

খোতবা জুমাৰ শেষত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে পেলেষ্টাইনৰ বাবে মই দোৱাৰ তেহেৰিক কৰিয়ে থাকো, এতিয়াও তেওঁলোকৰ নিমিত্তে দোৱা কৰিব। আগতেও মই কৈছিলো যে নিজৰ নিজৰ অঞ্চলত এওঁলোকৰ নিমিত্তে মাত মাতি থাকক। ৰাজনৈতিক নেতৃবৃন্দক দাবী জনাই থাকক যে ইজৰাইলৰ চৰকাৰে জুলুম অত্যাচাৰ কৰিবলৈ এতিয়াও এৰি দিয়া নাই বৰং তেওঁলোকে সৈন্য বাহিনীক জনাই আছে যে ২০২৪ চনটোও যুদ্ধৰ বছৰ হ'ব। আল্লাহ তা'লা পেলেষ্টাইনী সকলৰ ওপৰত কৃপা বৰ্ষণ কৰক। এই সমূহ দৃশ্যই আগজাননী দি আছে যে ৰিজনতও যুদ্ধ সংঘটিত হোৱাৰ সম্ভাৱনা আছে, লাহে লাহে বিশ্ব যুদ্ধও হ'ব পাৰে। বেৰুদৰ আশে-পাশে তেওঁলোকে বম বিস্ফোৰণ কৰি আছে, পৰিস্থিতি ভয়ানক ৰূপ ধাৰণ কৰি আছে। সম্ভৱত আমেৰিকাই সিহঁতক যুদ্ধ সীমিত কৰাৰ কথা কৈ আছে কিন্তু এয়া যেন এনেয়ে কৈ যোৱা কথা যেন লাগে। মাতত একো প্ৰতিক্ৰিয়া নাই। তেওঁলোকৰ আচল পৰিকল্পনা পেলেষ্টাইনী সকলক বেদখল কৰিব যেন লাগে আৰু  নিজৰ আধিপত্য স্থাপন কৰিব যেন লাগে। আল্লাহ তা'লা পেলেষ্টাইনী সকলৰ ওপৰত কৃপা নাযিল কৰক; আৰু মুছলমান সকলৰ ওপৰত দয়া কৰক। তেওঁলোকক প্ৰজ্ঞা দান কৰক যাতে তেওঁলোকে এইফালে চিন্তা কৰে আৰু যুগৰ ইমামৰ আহ্বান শুনে আৰু মানি লয়।

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهُ وَنَسْتَعِيْنُهُ وَنَسْتَغْفِرُهُ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَنْ يَّهْدِهِ اللّٰهُ فَلَا مُضِلَّ لَهُ وَمَنْ يُّضْلِلْهُ فَلَا هَادِيَ لَهُ وَنَشْهَدُ اَنْ لَّا اِلٰهَ اِلَّا اللّٰهُ
وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ. عِبَادَ اللّٰهِ رحمكم الله اِنَّ اللّٰهَ يَاْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِی الْقُرْبٰى
وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ
لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ۔

**ASSAMESE KHULASA KHUTBA JUMA HUZUR ANWAR aba 5 JAN 2024**

## BOOK POST (PRINTED MATTER)

TO,

.........................................................................................

.........................................................................................

.........................................................................................

From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 6000032598,9707110844